জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

নং ঃ ৩৬৮/২০২১

# আন্তৰ্জাতিক দিব্যাঙ্গ দিৱসৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## দিব্যাঙ্গসকলৰ বাবে বিশেষ নিয়োগ অভিযান আৰম্ভ কৰাৰ বাবে ৰাজ্য চৰকাৰে বিচাৰ বিবেচনা কৰি আছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ০৩ ডিচেম্বৰ ঃ** দিব্যাঙ্গসকলৰ অধিকাৰ তথা কল্যাণৰ অৰ্থে জনসাধাৰণক সজাগ আৰু সচেতন কৰাৰ উদ্দেশ্যে সমগ্ৰ বিশ্বজুৰি পালন কৰি অহা আন্তৰ্জাতিক দিব্যাঙ্গ দিৱস আজি অসমতো পালন কৰা হয়।

এই উপলক্ষে ৰাজ্য চৰকাৰৰ সমাজ কল্যাণ বিভাগে 'এলিমকো' আৰু কামৰূপ জিলা প্ৰশাসনৰ সহযোগত আমিনগাঁৱস্থিত কুমাৰ ভাস্কৰ বৰ্মন ক্ষেত্ৰত আয়োজন কৰা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। দিব্যাঙ্গসকলৰ সৰ্বতোপ্ৰকাৰৰ কল্যাণৰ বাবে ৰাজ্য চৰকাৰে বদ্ধপৰিকৰ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আন্তৰ্জাতিক দিব্যাঙ্গ দিৱস উদ্‌যাপনে আমাৰ মানৱ সম্পদৰ এক গুৰুত্বপূৰ্ণ অংশ অধিকাৰ কৰি থকা বিশেষভাৱে সক্ষম এই ব্যক্তিসকলৰ প্ৰতি আমাৰ আন্তৰিকতা আৰু কৃতজ্ঞতা জ্ঞাপনৰ এক সুযোগ প্ৰদান কৰে। এই দিৱস উদ্‌যাপনে বিশেষভাৱে সক্ষম লোকসকলৰ প্ৰয়োজনীয়তাৰ প্ৰতি জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ ক্ষেত্ৰত প্ৰভূত সহায় কৰে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ঘোষণা কৰে যে গুৱাহাটীৰ কাহিলীপাৰাস্থিত ভাউৰী দেৱী চেৰাওগী বধিৰ বিদ্যালয় আৰু দৃষ্টিহীন সকলৰ বাবে বশিষ্ঠস্থিত বিদ্যালয়খন উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ উন্নীত কৰাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। তদুপৰি বিশেষভাৱে সক্ষম লোকসকলৰ সুবিধাৰ্থে ভাৰতীয় সাংকেতিক ভাষা (ছাইন লেংগুৱেজ)ৰ আৰ্হিত অসমীয়া সাংকেতিক ভাষাও প্ৰস্তুত কৰা হ'ব বুলিও তেওঁ কয়।

অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিশেষভাৱে সক্ষম লোকসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে চাকৰি আৰু অন্যান্য শিক্ষানুষ্ঠাসমূহত এনে লোকৰ সংৰক্ষিত আসনৰ সংখ্যা ৪ শতাংশলৈ বৃদ্ধি কৰিছে। তেওঁ লগতে উল্লেখ কৰে যে বিশেষভাৱে সক্ষম লোকসকলৰ আৰ্থ-সামাজিক তথা শৈক্ষিক সৱলীকৰণ দ্ৰুততাৰে যাতে সম্ভৱ হৈ উঠে সেই উদ্দেশ্যে সামাজিক ন্যায় আৰু সৱলীকৰণ সঞ্চালকালয় নামেৰে এক সুকীয়া সঞ্চালকালয় গঠন কৰা হৈছে। সমাজৰ বিশেষভাৱে সক্ষম লোকসকলৰ বাবে দিব্যাঙ্গ শব্দটো প্ৰচলন কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ কৃতজ্ঞতা জ্ঞাপন কৰি তেওঁ লগতে কয় যে ইয়ে বিশেষভাৱে সক্ষম লোকসকলৰ প্ৰতি সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ মাজত এক ইতিবাচক প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে।

আজিৰ এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰী ড° শৰ্মাই বিশেষভাৱে সক্ষম লোকসকলৰ বাবে

হুইল চেয়াৰ আগবঢ়ায়। তেওঁ কয় যে ২০২২ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত ৰাজ্য চৰকাৰে চলাচলৰ বাবে অসমৰ্থ ৰাজ্যখনৰ সকলো লোকলৈ হুইল চেয়াৰ আৰু তিনিচকীয়া ৰিক্সা প্ৰদান কৰিব। দিব্যাঙ্গসকলৰ বাবে বিশেষ নিয়োগ অভিযান আৰম্ভ কৰাৰ বাবে ৰাজ্য চৰকাৰে বিচাৰ বিবেচনা কৰি আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগে কয় যে বিশেষভাৱে সক্ষম লোকসকলে যাতে মৰ্যাদা সহকাৰে জীৱন নিৰ্বাহ কৰিব পাৰে সেই উদ্দেশ্যে ৰাজ্য চৰকাৰে কেইবালানিও পদক্ষেপ গ্ৰহণ কৰিছে। মন্ত্ৰীগৰাকীয়ে অনুষ্ঠানত সমাজ কল্যাণ বিভাগে এই দিশত লোৱা বিভিন্ন আঁচনিৰ চমু বিৱৰণ দাঙি ধৰি দিব্যাঙ্গসকলৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহ সফল ৰূপায়ণৰ ক্ষেত্ৰত ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ সহায়-সহযোগিতা কামনা কৰে।

অনুষ্ঠানত কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, বকো সমষ্টিৰ বিধায়িকা নন্দিতা দাস, হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়া, পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, জ্যেষ্ঠ নাগৰিক পৰিষদৰ অধ্যক্ষ প্ৰদীপ ঠাকুৰীয়া, বিভিন্ন সংগঠনৰ প্ৰতিনিধি, সমাজ কল্যাণ সঞ্চালকালয়ৰ সঞ্চালক বিভাষ মোদী প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / নিঃকুঃদাঃ**
**০৩-১২-২০২১**